# অমৃতজ্বাইচল বনোৱাৰ বাবে দৰকাৰী সামগ্ৰী

| | |
|---|---|
| কেঁচা গৰুৰ গোবৰ | ১০ কেজি |
| গুড় | ১ কেজি |
| গোমুত্ৰ | ১০ লিটাৰ |
| পানী | ১০০ লিটাৰ |



**কেনেকৈ তৈয়াৰ কৰিব:**
আটাইখিনি সামগ্ৰী এটা ডাঙৰ পাত্ৰত ভালদৰে মিহলাই চাৰিদিনৰ বাবে ঢাকি থৈ দিযক, প্ৰত্যেক দিন ১৩ বাৰ ঘড়ীৰ কাটাৰ দিশত আৰু ১৩ বাৰ বিপৰীত দিশত লৰাব লাগে। চাৰিদিনৰ পাচত এই দ্ৰৱৰ লগত ১০০০ লিটাৰ পানী যোগ কৰি শ্যষত, মাটিত বা পচন সাৰৰ লগত মিহলাই প্ৰযোগ কৰিব পাৰে।

**পঞ্চকব্য**
পঞ্চকব্য হৈছে মাটিৰ গুণাগুণ বঢ়োৱা এক ঔষধ যিটো গৰুৰ পৰা পোৱা পাঁচবিধ বস্তু আৰু বেইটামানজৈৰিক বস্তুৰ জৰিয়তে প্ৰস্তুত কৰা হয়।

**দৰকাৰী সামগ্ৰী:**

| | |
|---|---|
| গৰুৰ গোবৰ | ৫ কেজি |
| গোমুত্ৰ | ৩ লিটাৰ |
| ঘীউ বা ঘৃত | ১ লিটাৰ |
| দুগ্ধ বা গাখীৰ | ২ লিটাৰ |
| দৈ | ২ লিটাৰ |
| কুমলীয়া নাৰীকলৰ পানী | ৩ লিটাৰ |
| গুড় বা কুঁহিয়াৰৰ ৰস | ১ কেজি বা ৩ লিটাৰ |
| পকা কল | ১২টা বা মৌজোল ১/২ কেজি |

**কেনেকৈ তৈয়াৰ কৰিব:**
এটা ডাঙৰ (৩০ লি: পানী ধৰা) মাটি বা চিমেণ্টৰ পাত্ৰত গোবৰ, ঘীঁউ আৰু গোমত্ৰ মিহলাই লওক৷ সাতদিনলৈকে থৈ দিব লাগে কিন্তু এই সাতদিন পুৰা গধূলি মিশ্ৰণটোক লৰাবলৈ নেপাহৰিব৷ এই মিশ্ৰণটোৰ পৰা মিথেন গেছ ওলাই যাব৷ এতিয়া গাখীৰ, দৈ, কল, নাৰীকল আৰু গুড় এই মিশ্ৰণটোৰ লগত মিহলাই লওক৷ সাতদিনৰ পিচত এই মিশ্ৰণ ব্যৱহাৰ কৰিব পাৰে।

**কশ্যম**
কশ্যম তৈয়াৰ কৰিবৰ বাবে উদ্ভিদৰ শিপা নথকাকৈ সংগ্ৰহ কৰিব লাগে। উদ্ভিবোৰ সৰু সৰু টুকুৰা কৰি কাটি লওক৷ এক একৰ (৩ বিঘা ২১১ লোচা) জোখৰ মাটিৰ বাবে ২ কেজি উদ্ভিদ আৰু ৮ লিটাৰ পানী মিহলাই সিজাব লাগে। এনেকৈ সিজাব লাগে যাতে পানীখিনি সিজি ২লিটাৰ মান হয়। এতিয়া এই সিজোৱা পানীখিনি ঠাণ্ডা কৰি চাকি ললে কশ্যম তৈয়াৰ হৈ গল।

ব্যৱহাৰ:- প্ৰতি ৩০০ মি:লি এই কশ্যমৰ লগত ১০০ মি:লি: চাবোন পানী আৰু ৯.৪ লিটাৰ পানীৰ লগত মিহলাই ব্যৱহাৰ কৰিব পাৰে।

বিভিন্ন পোক-পতংগ আৰু বেমাৰৰ বাবে উদ্ভিদৰ কশ্যম ব্যৱহাৰ কৰা হয়, উদাহৰণস্বৰূপে--

| | |
|---|---|
| **কালমেঘ**  |  যিকোনো পাত খোৱা পোকৰ বাবে |
| তিতা বাহেক  |  ভেঁকুৰজনিত বেমাৰৰ বাবে |
| **কৱচ**  |  মেক্সিকান বিন বিটলৰ পলু  মেক্সিকান বিন বিটল<br>আৰু বেলেগ পোক পতংগৰ বাবে |


এই পুস্তিকা খনৰ অনুবাদ, সম্পাদনা আৰু প্ৰকাশন

ফাৰটাইল গ্ৰাউণ্ড: আৰু আদৰ্শ সেউজ প্ৰকল্প



ফাৰটাইল গ্ৰাউণ্ড:
ইষ্ট/উৱেষ্ট চাচটেইনেবিলিটি নেটওৱৰ্ক,
ভেনকভাৰ আইলেণ্ড, বিট্ৰিচ কলম্বিয়া, কানাডা
fertile_ground2003@yahoo.com

আদৰ্শ সেউজ প্ৰকল্প
মুলিয়াবাৰী, ডিগবৈ
03751 269880
fertilegroundpompy@yahoo.co.in



ৰ এক যুটীয়া প্ৰকল্পৰ অধীনত সম্পন্ন হৈছে

তলত উল্লেখিত অনুস্থান সমূহৰ সহায়ৰ বাবে ফাৰটাইল গ্ৰাউণ্ড আৰু আদৰ্শ সেউজ প্ৰকল্পৰ তৰফৰ পৰা ধন্যবাদ জনোৱা হ'ল

কানাডা ইণ্ডিয়া ভিলেজ এইড, ভেনকভাৰ, বি.চি. কানাডা

ওৱৰ্ল্ড কমিউনিটি ডেভেলপমেণ্ট এডুকেশ্যন চচাইটি, কৰ্টনি, বি.চি. কানাডা

**“শব্দলিপি” চফটৱেৰৰ বাবে টি. আই. ট্ৰেড, গোপিনাথ বৰদলৈ পথ, গুৱাহাটী, অসম**

মূল অনুবাদ চি. আই. কে. এচ (চেন্নাই) চি. আই. কে. এচ অৰ ৱেবচাইট হৈছে www.ciks.org


অধিক জানিবৰ বাবে আমাৰ ওৱেবচাইট চাওক: www.fertile-ground.org